# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-02-2025
**Time :** 1715 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰিব। আজি পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ লগতে পুৱা ৮ বজাৰ পৰা নৱনিৰ্বাচিত সদস্যসকলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আৰু দিনৰ ভাগত সেৱা বাহিনীৰ অন্তৰংগ অনুষ্ঠান, ধৰ্মালোচনী সভাৰো আয়োজন কৰা হৈছে। সন্ধিয়াৰ ভাগলৈ সংঘৰ মূল পতাকা অৱনমিত কৰি পৰৱৰ্তী আয়োজক সমিতিৰ হাতত অৰ্পণ কৰা হ'ব।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে তেজপুৰ জিলা শাখাই আয়োজক সমিতিৰ পৰা সংঘৰ মূল পতাকা গ্ৰহণ কৰিব।

আজি নিশা সমূহীয়া প্ৰাৰ্থনাৰে ৯৪ সংখ্যক অধিৱেশনৰ কাৰ্যসূচীৰ সামৰণি পৰিব।

ooooo

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱত আজি কেইবাখনো চলচ্চিত্ৰৰ প্ৰদৰ্শনৰ লগতে আলোচনা চক্ৰও অনুষ্ঠিত হয়।মহোৎসৱত আজি Teach Me, Second Chance, The Light within, Bahadur The Brave আদি কেইবাখনো চিনেমা প্ৰদৰ্শিত হয়। পুৱা অনুষ্ঠিত এখন আলোচনাচক্ৰত চলচ্চিত্ৰ পৰিচালক অ'নিৰ উপস্থিত থাকে। এই আলোচনাচক্ৰখনৰ আঁত ধৰে জ্যেষ্ঠ সাংবাদিক মৃনাল তালুকদাৰে। দুপৰীয়া Young and Cinema: The Changing face of storytelling শীৰ্ষক আলোচনাচক্ৰখনৰ আঁত ধৰে অপৰাজিতা পুজাৰীয়ে। সন্ধিয়া পৰিচালক ইমতিয়াজ আলি, ৰীমা দাস, অ'নিৰ, কবিৰ খান পৰিচালিত চলচ্চিত্ৰ **মাই মেলবৰ্ণ** প্ৰদৰ্শন কৰা হ'ব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৩ দিনীয়াকৈ অনুষ্ঠিত এই চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো চলচ্চিত্ৰ প্ৰদৰ্শিত হয়।

ooooo

বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজৰ সপ্তম দ্বিবাৰ্ষিক বৰপেটা অধিবেশন উপলক্ষে আজি ভাগৰত শোভাযাত্ৰা উলিওৱা হয়। বৰপেটা সত্ৰৰ বুঢ়াভকত নাৰায়ণ আতৈয়ে শোভাযাত্ৰা মুকলি কৰে। বৰপেটাৰ মধ্য মেটুৰাকুছি গৰখীয়া নামঘৰ চৌহদৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰাত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাস, ডেকাসত্ৰীয়া গৌতম পাঠককে ধৰি শতাধিক ভকত আৰু আই-মাতৃয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত অধিবেশন উপলক্ষে নাম-প্ৰসঙ্গ, পৰম্পৰাগত চৰিত তোলা, থানৰ বাতৰি লোৱা, ধৰ্মালোচনী সভা আদি বিভিন্ন কাৰ্যসূচী আয়োজিত হয়।

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত আজি দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই জিলা পৰ্যায়ৰ আয়োজিত এই সন্মিলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ উদ্যোগ খণ্ডৰ উন্নয়নৰ জৰিয়তে অৰ্থনৈতিক উত্তৰণ নিশ্চিত কৰাৰ বাবে দৰং, তামুলপুৰ আৰু বজালী জিলাৰ উদ্যোগীসকলৰ সৈতে আলোচনা কৰে। এই অনুষ্ঠানত চিপাঝাৰ আৰু মঙলদৈ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী আৰু বসন্ত দাসৰ লগতে তিনিওখন জিলাৰ বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

দৰং জিলাৰ মঙলদৈৰ নিকটৱৰ্ত্তী চপাইত মুক্তিযুঁজাৰু প্ৰয়াত নিধিৰাম চহৰীয়াৰ জন্ম শতবাৰ্ষিকী আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। দৰং জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু পৰিয়ালৰ সহযোগত চপাই যুৱ কল্যাণ কেন্দ্ৰ প্ৰাঙ্গনত আয়োজিত জন্ম শতবাৰ্ষিকী অনুষ্ঠান উপলক্ষে মুকলি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত দূৰদৰ্শনৰ এসময়ৰ বাতৰি পৰিবেশক তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ড০ আৰতি কলিতাই এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ উপ-সভাপতি জিতেন ভাগৱতী, লেখক কুমুদ চন্দ্ৰ ডেকা, সাহিত্যিক পৃথুৰাম বৰুৱাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত অনাতাঁৰ শিল্পী দ্বিজেন্দ্ৰ মোহন দেৱশৰ্মা আৰু সূৰ্যকান্ত শৰ্মাই গীত পৰিবেশন কৰে। ইয়াৰ পূৰ্বে প্ৰয়াত মুক্তিযুঁজাৰুগৰাকীৰ প্ৰতিচ্ছবিত তেওঁৰ সহধৰ্মিনী ললিতা চহৰীয়াই মাল্যাৰ্পণ কৰে।

০০০০০

গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষীয়ে অভিযান চলাই তিনিখনকৈ চুৰি মটৰ চাইকেল উদ্ধাৰ কৰে। লগতে এই ঘটনাত জড়িত দুজন চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰ দুজন দুজন মাজেৰ চৰ আলোপুঠিৰ মৈদুল ইছলাম আৰু ভোগদিয়াৰ ইজাৰ আলী বুলি  জানিব পৰা গৈছে।

০০০০০

সমাপ্ত